# ভাৰতৰ
# ৭২ তম্ স্বাধীনতা দিৱস উদ্‌যাপন



অসমৰ মাননীয় মুখ্য মন্ত্ৰী

## শ্ৰীসৰ্বানন্দ সোণোৱালৰ ভাষণ

১৫ আগষ্ট, ২০১৮

গুৱাহাটী

**পৰম শ্ৰদ্ধাভাজন ৰাইজ,**

ভাৰতবৰ্ষৰ ৭২ তম্ স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মুহূৰ্তত আমি ৰাজ্যখনৰ জনসাধাৰণলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ লগতে স্বাধীনতাৰ হকে সংগ্ৰাম কৰা সকলো মহান সেনানী তথা বীৰ শ্বহীদৰ প্ৰতিও আমি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। স্বাধীনতা সংগ্ৰামত আত্মবলিদানেৰে ৰাজ্যখনক মহীয়ান কৰি তোলা মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ, মুকুন্দ কাকতি, কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননীৰ লগতে অন্যান্য শ্বহীদ সকললৈ এই পৱিত্ৰ ক্ষণতে যাচিছোঁ সশ্ৰদ্ধ প্ৰণিপাত।

এই শুভ মুহূৰ্তত স্বাধীনতা সংগ্ৰামত অহোপুৰুষাৰ্থ কৰা ৰাজ্যখনৰ সৰ্বস্তৰৰ ৰাইজৰ লগতে আধুনিক অসমৰ ভেটি নিৰ্মাণত বৰঙণি আগবঢ়োৱা কৃষক, শ্ৰমিক, শিক্ষক, বুদ্ধিজীৱী, ৰাজনীতিক, বৈজ্ঞানিক, সাংবাদিক, শিল্পী, সাহিত্যিক আৰু আন কৰ্মক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলৰ উপৰি অসমবাসীৰ প্ৰতিও আমি শ্ৰদ্ধা আৰু সন্মান যাচিছোঁ।

ভাৰতবৰ্ষৰ সীমান্তত অতন্দ্ৰ প্ৰহৰী ৰূপে নিয়োজিত হৈ দেশৰ সাৰ্বভৌমত্ব ৰক্ষা তথা সন্ত্ৰাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি আত্মবলিদান দিয়া মহান সৈনিকসকলকো আমি এই পৱিত্ৰ মুহূৰ্তত শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ মহা সংগ্ৰামত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমৰো আৱাল, বৃদ্ধ, বণিতাই সৰ্বস্ব উজাৰি যোগদান কৰিছিল। দুশ বছৰীয়া পৰাধীনতাৰ শিকলি চিঙি যেতিয়া দেশ স্বাধীন হ'ল, সেই স্বাধীনতাৰ আৱেগে চুই গৈছিল

সকলোৰে মন-প্ৰাণ। অসমীয়াৰ এই ভাবাৱেগক ড° ভূপেন হাজৰিকাই তেখেতৰ গীতেৰে প্ৰাণ দিছিল এনেধৰণে—

অ' ভাৰতীৰে অ' পৃথিৱীৰে
স্বাধীন চিতীয়া দল
ভাৰতী স্বাধীন হ'ল।
ভাৰতীৰ দৃষ্টি ভাৰতীৰ কৃষ্টি
সকলো মহীয়ান হ'ল।

এই ভাবাৱেগ আজিও প্ৰতিজন অসমীয়াৰ মাজত বিদ্যমান। এই আৱেগে আমাৰ মাজত সুদৃঢ় কৰিছে ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ যুগমীয়া বান্ধোন। অহিংসাৰ মূল মন্ত্ৰৰে দীক্ষিত হৈ ভাৰতবৰ্ষক স্বাধীন কৰা প্ৰতিগৰাকী স্বাধীনতা সংগ্ৰামী আৰু বীৰ শ্বহীদ আমাৰ শ্ৰদ্ধা আৰু অনুপ্ৰেৰণাৰ উৎস।

'ভাৰতেই মোৰ দেশ, ভাৰতেই মোৰ প্ৰাণ' এই বাণীৰে উদ্বুদ্ধ হৈ ভাৰতবৰ্ষক নতুন ৰূপত গঢ় দিয়াৰ লক্ষ্য লৈ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে বিগত চাৰি বছৰে অহৰ্নিশে কাম কৰিছে। একেদৰে অসম চৰকাৰেও ৰাজ্যখনৰ হৃত গৌৰৱ ওভতাই আনি অসমক দেশৰ ভিতৰত এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টাত ব্ৰতী হৈছে।

**শ্ৰদ্ধেয় ৰাইজ,**

আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ সময়তে আমি উপলব্ধি কৰিছিলো যে এইখন চৰকাৰৰ প্ৰতি ৰাইজৰ বিশ্বাস আৰু প্ৰত্যাশা অত্যধিক আৰু জনসাধাৰণৰ আশা-প্ৰত্যাশা পূৰণৰ দিশত আমি সৰ্বতোপ্ৰকাৰে প্ৰয়াস চলাব লাগিব। ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী, ভাষা-ভাষী লোকসকলৰ ঐক্য, সম্প্ৰীতি আৰু সমন্বয় হৈছে আমাৰ চৰকাৰৰ মূল চালিকা

শক্তি। আমাৰ চৰকাৰৰ অন্যতম লক্ষ্য হৈছে অসমবাসীৰ স্বাভিমান আৰু মৰ্যাদা সদা অক্ষুণ্ণ ৰখা। আমি মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ 'সবকা সাথ, সবকা বিকাশ'ৰ আদৰ্শ আৰু প্ৰমূল্যবোধক অনুপ্ৰেৰণাৰ মূলমন্ত্ৰ হিচাপে লৈ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সম-উন্নয়নৰ দিশত দৃঢ়তাৰে কৰ্মত অগ্ৰসৰ হোৱাৰ সংকল্প লৈছিলো। অসমক এখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসমুক্ত আৰু প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰে আৰম্ভণিৰে পৰা পদক্ষেপ গ্ৰহণ কৰিছে।

আজিৰ এই পৱিত্ৰ ক্ষণত আমি মহামান্য উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত ৰেজিষ্ট্ৰাৰ জেনেৰেল অৱ ইণ্ডিয়া তথা কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ যৌথ সহযোগিতাত সফলতাৰে প্ৰকাশিত হোৱা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সম্পূৰ্ণ খচৰাৰ প্ৰসঙ্গ সৰ্ব প্ৰথমে উল্লেখ কৰিব বিচাৰিছো।

এই ঐতিহাসিক দলিল প্ৰস্তুতৰ ক্ষেত্ৰত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ অসমবাসীৰ অকুণ্ঠ সহায়-সহযোগৰ বাবে সকলোৰে প্ৰতি আমি কৃতজ্ঞতা প্ৰকাশ কৰিছো। তদুপৰি এই সফলতাৰ বাবে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত ৰাজ্যৰ ৫৫ হাজাৰ বিষয়া-কৰ্মচাৰীৰ নিষ্ঠা আৰু দায়বদ্ধতাৰ আমি শলাগ লৈছো। লগতে ৰাজ্যখনৰ আইন-শৃংখলা অটুট ৰাখি সুচাৰুৰূপে এন আৰ চিৰ খচৰা প্ৰকাশৰ ক্ষেত্ৰত ৭০ হাজাৰ আৰক্ষীয়ে দেখুওৱা দক্ষতাৰ বাবে তেখেতসকলকো ধন্যবাদ জনাইছো। ২০১৬ চনত আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিচতেই অসমখন বিদেশীমুক্ত কৰাৰ প্ৰতিশ্ৰুতি ৰাজ্যবাসীক আমি প্ৰদান কৰিছিলো। আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে অসমখন বিদেশীমুক্ত কৰাৰ ক্ষেত্ৰত এন আৰ চি হ'ব এক গুৰুত্বপূৰ্ণ ৰক্ষাকবচ। আমি নিশ্চিত যে অসমবাসীৰ ভৱিষ্যত সুৰক্ষাৰ ক্ষেত্ৰত এন আৰ চিয়ে জাতীয় স্বাভিমানক নতুন দিশেৰে ধাৱমান কৰাৰ ক্ষেত্ৰত ইতিবাচক পৰিৱেশ নিৰ্মাণ কৰিব।

আমি পুনৰবাৰ ৰাজ্যবাসীক জনাব বিচাৰো যে এইখন এখন খচৰাহে। অসমত বসবাস কৰা কোনো বৈধ ভাৰতীয়ৰ নাম যাতে চূড়ান্ত নাগৰিকপঞ্জীত বাদ নপৰে সেইটো নিশ্চিত কৰাৰ বাবে আমাৰ চৰকাৰ সংকল্পবদ্ধ। তদুপৰি, এই নাগৰিকপঞ্জীত যাতে কোনো বিদেশীৰ নাম অন্তৰ্ভুক্ত নহয়, সেই ক্ষেত্ৰতো চোকা দৃষ্টি ৰখা হ'ব।

আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ পিছৰে পৰা দুৰ্নীতিৰ বিৰুদ্ধে শূণ্য সহনশীল নীতি গ্ৰহণ কৰিছে যাতে চৰকাৰী পৰিকাঠামোৰ পৰা দুৰ্নীতি সম্পূৰ্ণৰূপে নিৰ্মূল কৰি জনসাধাৰণৰ আশা আৰু প্ৰত্যাশা পূৰণ কৰিব পৰা যায়। আমাৰ চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰহণ কৰা আপোচবিহীন নীতিৰ ফলশ্ৰুতিত বিভিন্ন বিভাগৰ দুৰ্নীতি উন্মোচিত হৈছে আৰু এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম লোকসেৱা আয়োগত সংঘটিত দুৰ্নীতিৰ অভিযোগত অপসাৰিত অধ্যক্ষ আৰু সদস্যকে ধৰি ৫২ গৰাকী বিষয়াক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে।

ৰাজ্যখনত বিগত দুবছৰে দুৰ্নীতি বহুলাংশে হ্ৰাস পোৱাৰ লগতে প্ৰশাসন ব্যৱস্থাটোৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰি আহিবলৈ ধৰাটো পৰিলক্ষিত হৈছে। আমাৰ চৰকাৰে প্ৰশাসন ব্যৱস্থাটো স্বচ্ছ, সংবেদনশীল, দায়বদ্ধ আৰু দুৰ্নীতিমুক্ত কৰি তুলিবলৈ একাধিক পদক্ষেপ গ্ৰহণ কৰিছে।

সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে নিযুক্তি প্ৰক্ৰিয়া সম্পাদন কৰি আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ সময়ৰে পৰা বৰ্তমানলৈ কেৱল যোগ্যতাৰ ভিত্তিত ৪৫ হাজাৰৰো অধিক লোকক স্থায়ী আৰু ঠিকাভিত্তিত শিক্ষা, গৃহ, স্বাস্থ্য, বন, কৰ্মচাৰী, অসম সচিবালয়কে ধৰি বিভিন্ন চৰকাৰী বিভাগত নিযুক্তি প্ৰদান কৰিছে।

ৰাজ্যখনৰ জনসাধাৰণৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষাৰ বাবে আমাৰ চৰকাৰে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰ ফলশ্ৰুতিত অসম চুক্তিৰ বিভিন্ন দফা ফলপ্ৰসূ তথা সময় সাপেক্ষ ভাৱে ৰূপায়ণৰ দিশত আগবাঢ়িছে। ভাৰত চৰকাৰে অগ্ৰাধিকাৰ

ভিত্তিত ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে তথা সীমান্তৰ নদী অংশৰে অনুপ্ৰৱেশ ৰোধৰ বাবে উন্নত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰে এক নতুন প্ৰকল্প ৰূপায়ন কৰি আছে। শীঘ্ৰে ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ কাম সম্পন্ন হৈ উঠিব বুলি আমি আশা কৰিছো।

ৰাজ্যখনৰ খিলঞ্জীয়া প্ৰতিটো জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুৰক্ষিতকৰণৰ দিশত পৰামৰ্শ আগবঢ়োৱাৰ বাবে আমি হৰিশংকৰ ব্ৰহ্মৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰিছিলো।

ইতিমধ্যে এই কমিটিয়ে ভূমি আইন সংস্কাৰ, চৰকাৰী ভূমি নীতি সংক্ৰান্তত দাখিল কৰা পৰামৰ্শাৱলীৰ ভিত্তিত এক নতুন ভূমি নীতি প্ৰস্তুত কৰি থকা হৈছে আৰু অচিৰেই এই ভূমি নীতি কাৰ্যকৰীকৰণৰ ব্যৱস্থা লোৱা হ'ব। আমি বিশ্বাস কৰো যে এই নতুন ভূমি নীতিয়ে খিলঞ্জীয়া ৰাইজৰ মাটি, ভেটিৰ অধিকাৰ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰিবলৈ সক্ষম হ'ব।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীল নীতি গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উল্লেখনীয়ভাৱে উন্নত হৈছে। স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱসৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহত ৰাইজৰ বিপুল উচাহ আৰু সক্ৰিয় অংশগ্ৰহণে এই কথা প্ৰতীয়মান কৰে। বিগত দুবছৰে আমাৰ চৰকাৰে তিনিদিনীয়াকৈ স্বাধীনতা দিৱস উদ্‌যাপন কৰাৰ দৰে চলিত বৰ্ষটো তিনিদিনীয়া কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদ্‌যাপন কৰা হৈছে।

ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ দিশত ৰাজ্যৰ আৰক্ষীয়ে আগবঢ়োৱা অৱদানৰ কথাও আমি উল্লেখ কৰিব লাগিব। এই খিনিতে আমি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি আত্মবলিদান দিয়া আৰক্ষী বিষয়া ভাস্কৰ কলিতাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো।

অসমৰ নৈসৰ্গিক প্ৰাকৃতিক শোভা আৰু বিশুদ্ধ জলবায়ু ৰাজ্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ সম্পদ। সেয়েহে অসমখন প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবৰ বাবে আমাৰ চৰকাৰে ১০ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি ৪ কোটি ৫০ লাখ গছপুলি ইতিমধ্যে ৰোপণ কৰিছে।

আনহাতে ৰাইজৰ মাজত এই পদক্ষেপক অধিক জনপ্ৰিয় কৰি তোলাৰ মানসেৰে বিশিষ্ট পৰিৱেশকৰ্মী যাদৱ পায়েং, আনন্দ খাটনিয়াৰ আৰু চন্দ্ৰকান্ত বসুমতাৰীক পৰিৱেশ সংৰক্ষণৰ 'ব্ৰেণ্ড এম্বেছাদৰ' হিচাপে মনোনীত কৰা হৈছে। এইখিনিতে বজালী নগৰক 'নীম নগৰী' হিচাপে গঢ়ি তুলিবলৈ অঞ্চলটোৰ বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ লগতে আনন্দ খাটনিয়াৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ আমি শলাগ লৈছো।

সেইদৰে ৰাষ্ট্ৰীয় অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলৰ ভূমি বেদখল মুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আমাৰ চৰকাৰে গঁড়কে ধৰি অন্যান্য বন্য-প্ৰাণী সমূহৰ চোৰাং চিকাৰ প্ৰতিহত কৰাৰ বাবে গ্ৰহণ কৰা সৰ্বাত্মক প্ৰচেষ্টাৰ ফলত গঁড়ৰ চোৰাং চিকাৰ উল্লেখনীয়ভাৱে হ্ৰাস হৈছে। তদুপৰি নতুনকৈ বিভিন্ন পৰ্যায়ৰ বন বিষয়া আৰু কৰ্মী নিযুক্তি দিয়াৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বনকৰ্মীসকলক অত্যাধুনিক মাৰণাস্ত্ৰ প্ৰদান কৰা হৈছে। বিগত দুবছৰত ১৭০ গৰাকী চোৰাং চিকাৰীক আটক কৰা হৈছে আৰু আটকাধীন চোৰাং চিকাৰীৰ বিচাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে ১০ খন ফাষ্ট ট্ৰেক কৰ্ট স্থাপন কৰা হৈছে। বানপানীৰ সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণী সমূহে যাতে সুৰক্ষিত স্থানত অৱস্থান কৰিব পাৰে তাৰ বাবে উদ্যানখনত ৩৩ টা হাই লেণ্ড নিৰ্মাণ কৰা হৈছে।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' আৰু 'নতুন ভাৰতৰ বিকাশৰ ইঞ্জিন' হিচাপে অভিহিত কৰিছে। কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা 'এক্ট ইষ্ট পলিচি'ৰ ফলত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নে নতুন

গতি লাভ কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ অনুপ্ৰেৰণা আৰু আদৰ্শক সাৰথি হিচাপে লৈ আমাৰ চৰকাৰে ৰাজ্যখনৰ ঔদ্যোগিক উন্নয়নক নতুন গতি প্ৰদান কৰি বিনিয়োজনৰ উত্তম স্থান হিচাপে গঢ়ি তোলাৰ বাবে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অসমত প্ৰথমবাৰৰ বাবে সফলতাৰে "বিশ্ব বিনিয়োগ সন্মিলন" আয়োজন কৰিলে।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া উপস্থিত থকা এই সন্মিলনতে বিনিয়োগকাৰী সকলে প্ৰায় ৭৯,০০০ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিৰে ৰাজ্য চৰকাৰৰ সৈতে ২৬৪ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আমাৰ চৰকাৰৰ ফলপ্ৰসূ পদক্ষেপৰ বাবে বিগত পাঁচ মাহত টাটা ট্ৰাষ্ট, ব্ৰিটেনিয়া, ইমামী, ফিউচাৰ গ্ৰুপ আদিকে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানে ২৫০০ কোটিৰো অধিক টকা ৰাজ্যখনৰ উদ্যোগ খণ্ডত বিনিয়োগ কৰিছে। আনহাতে ৰাজ্যখনত তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰি হায়দৰাবাদৰ জে.এন.জে. পাৱাৰক'ম চিষ্টেমছ্ লিমিটেড আৰু কলকাতাৰ চিম'কো টেলিকমিউনিকেশ্যনছ্ প্ৰাইভেট লিমিটেডে ইলেক্‌ট্ৰনিকছ সা-সামগ্ৰী প্ৰস্তুত কৰা উদ্যোগৰ আধাৰশিলা গুৱাহাটী টেক্ চিটিত স্থাপন কৰিছে।

**শ্ৰদ্ধেয় ৰাইজ,**

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ সহযোগিতাৰ ফলত অসমত ৰে'ল পথৰ দ্বৈতকৰণ তথা বৈদ্যুতিকৰণ, অসামৰিক বিমা ন পৰিবহনৰ ক্ষেত্ৰত 'উড়ান' আঁচনি ৰূপায়ন, ত্ৰিদেশীয় এছিয়ান হাইৱে নিৰ্মাণ, ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ খনন, বাংলাদেশৰ কক্স বজাৰৰ পৰা হাই স্পীড ইণ্টাৰনেট ডাটা সৰবৰাহৰ দৰে যুগান্তকাৰী পদক্ষেপে নতুন গতি লাভ কৰিছে।

তদুপৰি, বৰঝাৰ বিমান বন্দৰত নতুন টাৰ্মিনেল নিৰ্মাণ কাৰ্যৰ প্ৰাৰম্ভণ, নুমলীগড় হৈ গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ ১৫০০ কিঃমিঃ গেছ পাইপ লাইন সংস্থাপনৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ সম্ভৱ হৈছে। সেইদৰে 'এক্ট ইষ্ট পলিচি'ৰ

সফল ৰূপায়নৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পাৰস্পৰিক আৰু বাণিজ্যিক যোগাযোগ দক্ষিণ-পূব এছিয়াৰ দেশ সমূহৰ লগতে বিবিএন দেশসমূহৰ সৈতে উল্লেখনীয় ভাৱে বৃদ্ধি পাইছে।

ভূটান আৰু বাংলাদেশ চৰকাৰে ইতিমধ্যে গুৱাহাটীত বাণিজ্যিক দূতাবাস মুকলি কৰিছে। তদুপৰি, অহা ১ চেপ্টেম্বৰৰ পৰা ভূটানৰ দ্ৰুক এয়াৰৱেজে পাৰ'ৰ পৰা গুৱাহাটী হৈ ছিংগাপুৰলৈ বিমান সেৱা আৰম্ভ কৰিব।

আমাৰ চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ সৰ্বাঙ্গীন বিকাশৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা বিভিন্ন আঁচনি ৰূপায়নত মনোনিৱেশ কৰিছে।

'স্বচ্ছ ভাৰত অভিযান' (গ্ৰামীণ) ৰ অধীনত প্ৰায় ২৫ লাখ গ্ৰাম্য পৰিয়ালত পকী শৌচালয় নিৰ্মাণ কৰা হৈছে। ইতিমধ্যে ১২ খন জিলা আৰু ১৩,৯৯২ খন গাঁৱক মুকলি ঠাইত মল ত্যাগ মুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। পূৰ্বৰ চৰকাৰৰ দিনত অসম্পূৰ্ণ হৈ থকা ৩ লাখতকৈ অধিক আই এ ৱাই গৃহ সম্পূৰ্ণ কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত সৰ্বমুঠ ১ লাখ ৯৮ হাজাৰ গৃহ নিৰ্মাণৰ কাম চলি আছে।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ইতিমধ্যে ৰাজ্যখনৰ অবৈদ্যুতিকৃত সকলোবোৰ গাঁও বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হৈছে। 'সৌভাগ্য' আঁচনিৰ অধীনত প্ৰতিটো গৃহত বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰাৰ কামো চলি আছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত বিগত দুবছৰত ৰাজ্যখনত ৩২ লাখ ৫২ হাজাৰ পৰিয়ালক কৰ্মসংস্থাপন প্ৰদান কৰা হৈছে।

'ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি'ৰ জৰিয়তে বাৰ্ষিক ৭ লাখ ৮৩ হাজাৰ ব্যক্তিলৈ মাহিলি বৃদ্ধ পেঞ্চন আৰু ১ লাখ ১৮ হাজাৰ বিধৱা মহিলাক মাহিলি

পেঞ্চন প্ৰদান কৰি অহা হৈছে। 'প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনি'ৰ অধীনত ইতিমধ্যে প্ৰায় ১৯ লাখ পৰিয়াললৈ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰা হৈছে।

গ্ৰামাঞ্চলৰ যাতায়ত ব্যৱস্থাৰ উন্নতি সাধনৰ বাবে বিগত দুবছৰত 'প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা'ৰ অধীনত মুঠ ৯৮৪৩ কিলোমিটাৰ পথ নিৰ্মাণৰ অনুমোদন দিয়া হৈছে। তদুপৰি, আমাৰ চৰকাৰে গ্ৰামাঞ্চলত এহেজাৰখন কাঠৰ দলং পকী দলঙলৈ উন্নীত কৰাৰ লক্ষ্য স্থিৰ কৰি ২০০ খন দলঙৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে। আনহাতে, ৰাজ্যখনত ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ বৰ্তমানৰ ৩৮০০ কিলোমিটাৰৰ পৰা ৭০০০ কিলোমিটাৰলৈ সম্প্ৰসাৰণ কৰা হৈছে।

তদুপৰি, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ ১৮৪৬ কিলোমিটাৰ ৰাজ্যিক পথক নীতিগত ভাৱে ৰাষ্ট্ৰীয় ঘাইপথ ৰূপে ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ মাজৰ যাতায়ত ব্যৱস্থা অধিক সুচল কৰাৰ মানসেৰে বগীবিল আৰু কলীয়াভোমোৰাত দুখন দলং নিৰ্মাণৰ কাম চলি আছে। ইয়াৰ উপৰি গহপুৰ, নুমলীগড়, ধুবুৰী-ফুলবাৰী, দিচাংমুখ-টেকেলিফুটা, কমলাবাৰী-নিমাতিঘাট আৰু পানবজাৰ-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণৰো প্ৰাৰম্ভিক ব্যৱস্থা হাতত লোৱা হৈছে। আনহাতে, নদীদ্বীপ মাজুলীৰ ৰাইজৰ যাতায়ত ব্যৱস্থা সুচল কৰি তোলাৰ মানসেৰে ইতিমধ্যে চাৰিখন নতুন ফেৰীৰ সেৱা আৰম্ভ কৰা হৈছে। সেইদৰে ব্ৰহ্মপুত্ৰৰ বুকুত এখন নতুন ৰ'ৰ' জাহাজৰ সেৱাও মুকলি কৰা হৈছে।

**শ্ৰদ্ধেয় ৰাইজ,**

আমাৰ চৰকাৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ড সমূহৰ উত্তৰণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সবল কৰিবলৈ প্ৰয়াস কৰিছে। এই উদ্দেশ্য আগত ৰাখি ৩০,০০০ কোটি টকা ব্যয়েৰে কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে "মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা" নামৰ অভিলাষী আঁচনিৰ অধীনত কেইবালানি পদক্ষেপ

গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ২৫,৪২৫ খন গাঁৱৰ প্ৰত্যেকখনতে একোটা কৃষক গোটলৈ ৰাজসাহায্যযুক্ত ট্ৰেক্টৰ বিতৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। তদুপৰি, কৃষকক মাটিৰ গুণাগুণ সম্পৰ্কে বিতং তথ্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্যখনত ইতিমধ্যে প্ৰায় ১৪ লাখ 'ছয়েল হেলথ কাৰ্ড' বিতৰণ কৰা হৈছে। কৃষিখণ্ডৰ উত্তৰণৰ বাবে আমাৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত বিগত বৰ্ষত ৰাজ্যত ৮০ লাখ মেট্ৰিক টন ধান উৎপন্ন হৈছে। তেনেদৰে মাছৰ উৎপাদনো পূৰ্বৰ বছৰৰ তুলনাত যোৱা বছৰত ২০ হাজাৰ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে।

ৰাজ্যৰ কৃষক সকলক উন্নত আৰু বিজ্ঞানসন্মত কৃষি পদ্ধতিৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে আমাৰ চৰকাৰে বিগত মে' মাহত ৰাজ্যৰ ১৫ গৰাকী প্ৰগতিশীল কৃষকৰ এটা দল ভিয়েটনামলৈ প্ৰেৰণ কৰাৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি প্ৰগতিশীল মীন পালক সকলৰ বাবেও এনে ধৰণৰ পদক্ষেপ চৰকাৰে অনাগত দিনত গ্ৰহণ কৰিব।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ধানকে ধৰি খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য ৫০ শতাংশতকৈও অধিক বৃদ্ধিৰ যি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ ফলত দেশৰ লগতে ৰাজ্যৰ কৃষক সমাজো যথেষ্ট উপকৃত হৈছে। আমি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ইয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

**শ্ৰদ্ধেয় ৰাইজ,**

অসমীয়া নাৰী ত্যাগ, কষ্টসহিষ্ণুতা আৰু শৈল্পিক সত্বাৰ প্ৰতীক। অসমীয়া নাৰীৰ শক্তি আৰু সামৰ্থ দৌৰবিদ হিমা দাসে বিশ্ব ২০ বছৰ অনূৰ্দ্ধ এথলেটিকছ প্ৰতিযোগিতাত প্ৰথম ভাৰতীয় হিচাপে স্বৰ্ণ জয় কৰি প্ৰমাণ কৰি দেখুৱাইছে। সেইদৰে অংকুশিতা বড়োৱে বিশ্ব যুৱ মহিলা বক্সিং প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰি জাতীয় স্বাভিমান উজ্জীৱিত কৰিছে। ইয়াৰ উপৰি চলচ্চিত্ৰ নিৰ্মাতা ৰিমা দাসেও 'ভিলেজ ৰকষ্টাৰ্চছ'ৰ দৰে বিশ্ব মানৰ ছবি নিৰ্মাণ কৰি বিশ্বৰ আগত অসমীয়া নাৰীৰ সৃষ্টিশীলতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

আমাৰ চৰকাৰে ৰাজ্যখনৰ নাৰী সমাজক অধিক সবল কৰি তোলাৰ বাবে 'কনকলতা মহিলা সৱলীকৰণ আঁচনি' গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ১ লাখ ২৬ হাজাৰ মহিলা আত্মসহায়ক গোটৰ প্ৰতিটোলৈ ২৫ হাজাৰ টকাকৈ ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হৈছে যাতে মহিলাসকলে আৰ্থিক তথা সামাজিকভাৱে স্বাৱলম্বী হ'ব পাৰে।

আমাৰ চৰকাৰে নাৰীৰ মৰ্যাদা, স্বাভিমান আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ইতিমধ্যে "১৮১-সখী" ট'ল ফ্ৰী মহিলা হেল্পলাইন নম্বৰ মুকলি কৰিছে।

আমাৰ অনুৰোধৰ প্ৰতি সন্মান জনাই মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে নাৰীজনিত অপৰাধমূলক ঘটনাৰ গোচৰসমূহৰ দ্ৰুত মীমাংসা আৰু অপৰাধীক শীঘ্ৰে শাস্তি প্ৰদানৰ বাবে 'ফাষ্ট ট্ৰেক ক'ৰ্ট' স্থাপনৰ পদক্ষেপ লৈছে। উল্লেখ্য যে শিক্ষয়িত্ৰী অৰ্ণমাই বৰাৰ হত্যাৰ গোচৰত দোষীৰ বিৰুদ্ধে ন্যায়ালয়ে ইতিমধ্যে দৃষ্টান্তমূলক শাস্তি ঘোষণা কৰিছে।

আমাৰ চৰকাৰে ৰাজ্যখনৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া শিক্ষা প্ৰদানৰ লক্ষ্যৰে উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্ত্তিৰ মাচুল, শিক্ষা মাচুল আৰু পৰীক্ষা মাচুল ৰেহাই দিছে। ইয়াৰ দ্বাৰা প্ৰায় ৫ লাখ ৫৬ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। ৰাজ্যখনৰ প্ৰাথমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত অধ্যয়নৰত ৬০ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰীলৈ সৰ্বমুঠ ৩ কোটি ৩৮ লাখ বিনামূলীয়া পাঠ্যপুথি যোগান ধৰা হৈছে। ৰাজ্যখনৰ প্ৰাথমিক বিদ্যালয়ৰ ৩৭ লাখ ৩৬ হাজাৰ ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰা হৈছে। তদুপৰি, ডিব্ৰুগড় জিলাৰ চাবুৱাত শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ নামেৰে এখন ক্ৰীড়া বিশ্ববিদ্যালয় আৰু মাজুলীত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপনৰ ব্যৱস্থা আমাৰ চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰিছে।

ৰাজ্যত কাৰিকৰী আৰু চিকিৎসা শিক্ষাৰ প্ৰসাৰৰ বাবে ৭ খন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ উপৰি চাৰিখন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম ধুবুৰী, নগাঁও, উত্তৰ লখিমপুৰ আৰু ডিফুত চলি আছে। তদুপৰি, আমাৰ চৰকাৰে তিনিচুকীয়া, নলবাৰী, কোকৰাঝাৰত একোখনকৈ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইদৰে গুৱাহাটীৰ চাংসাৰিত 'সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান' স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ৰাজ্যৰ যুৱ চামৰ উদ্যমিতা বিকাশৰ উদ্দেশ্যে "স্বয়ম আঁচনি"ৰ অধীনত আমাৰ চৰকাৰে ৰাজ্যৰ এক লাখ যুৱক-যুৱতীক ব্যৱসায়-বাণিজ্যৰ বাবে এক লাখৰ পৰা দুই লাখ টকালৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ কৰি ডেৰ লাখ যুৱক-যুৱতীৰ দক্ষতা বৃদ্ধিৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে।

দৰিদ্ৰ পৰিয়ালৰ সদস্যসকলৰ শিক্ষা আৰু স্বাস্থ্য যতনৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ চৰকাৰে ৰূপায়ন কৰা 'সুহৃদ' আঁচনিৰ অধীনত ১২৫ কোটিৰো অধিক ধন ব্যয় কৰি ৰাজ্যখনৰ ৫৯ হাজাৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

আমাৰ চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণক ৬ বিধ জটিল ৰোগৰ ব্যয়বহুল চিকিৎসাৰ পৰা সুৰক্ষা প্ৰদানৰ অংশ হিচাপে 'অটল অমৃত অভিযান' নামৰ নগদবিহীন স্বাস্থ্য সেৱাৰ এখন অভিলাষী আঁচনি আৰম্ভ কৰিছে।

ইতিমধ্যে এই আঁচনিৰ অধীনত ১৫ হাজাৰতকৈও অধিক হিতাধিকাৰীক নগদবিহীন ব্যৱস্থা কাৰ্যকৰী হোৱাৰ পূৰ্বে চিকিৎসাৰ বাবে ব্যয় কৰা ধন ঘূৰাই দিয়া হৈছে। তদুপৰি, দেশ তথা ৰাজ্যৰ কেতবোৰ উল্লেখযোগ্য চিকিৎসালয়ত এই অভিযানৰ অধীনত বৰ্তমানলৈ ৫ হাজাৰৰো অধিক হিতাধিকাৰীয়ে নগদবিহীন চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিছে। সেইদৰে "মুখ্যমন্ত্ৰী বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি"ৰ সুবিধা ৰাজ্যৰ ১২ লাখৰো অধিক ৰোগীয়ে লাভ কৰিছে। আমি

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ইতিমধ্যে ৰাজ্যখনত টাটা ট্ৰাষ্টৰ সহযোগত প্ৰায় ২০০০ কোটি টকা ব্যয় সাপেক্ষে ১৯ খন কেঞ্চাৰ কেয়াৰ চিকিৎসালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে।

ইয়াৰ উপৰি "প্ৰধানমন্ত্ৰী অভিলাষী জিলা ৰূপান্তৰ কাৰ্যসূচী"ৰ অন্তৰ্গত ৰাজ্যৰ সাতখন জিলা ক্ৰমে দৰং, বাক্সা, ধুবুৰী, গোৱালপাৰা, বৰপেটা, ওদালগুৰি আৰু হাইলাকান্দিত সময় সাপেক্ষভাৱে নিৰ্দ্ধাৰিত লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে কেতবোৰ কাৰ্যসূচী ৰূপায়ন কৰা হৈছে ।

"দীনদয়াল দিব্যাংগ সাহায্য আঁচনি"ৰ অধীনত ৰাজ্যখনৰ ১ লাখ ৩১ হাজাৰ দিব্যাংগৰ প্ৰত্যেকলৈ ৫০০০ টকাৰ চিকিৎসা সাহায্য আগবঢ়োৱা হৈছে। চলিত বৰ্ষত এই সাহায্য ১২,০০০ টকালৈ বৃদ্ধি কৰা হ'ব। তদুপৰি, দিব্যাংগসকলৰ বাবে দেশৰ ভিতৰতে প্ৰথম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণৰ কাম ডিব্ৰুগড়ত আৰম্ভ কৰা হৈছে।

**শ্ৰদ্ধেয় ৰাইজ,**

বানপানী আৰু গৰাখহনীয়া অসমৰ এক দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যা। আমাৰ চৰকাৰে বানাক্ৰান্ত অঞ্চল সমূহত সাহায্য তথা উদ্ধাৰ অভিযান ক্ষীপ্ৰভাৱে সম্পন্ন কৰাত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। তদুপৰি, বানত নিহত হোৱা পৰিয়ালৰ নিকটাত্মীয়লৈ ৪৮ ঘণ্টাৰ ভিতৰত ৪ লাখ টকাকৈ এককালীন সাহায্য ক্ষীপ্ৰভাৱে প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি, বানপানীৰ সময়ত দুৰ্গত ৰাইজ তথা জীৱ-জন্তুসমূহে আশ্ৰয় গ্ৰহণ কৰিব পৰাকৈ "সামূহিক আশ্ৰয় শিবিৰ" নিৰ্মাণৰ বাবেও আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু ইয়াৰ বাবে প্ৰথম পৰ্যায়ত ৫০ কোটি টকা ধাৰ্য কৰা হৈছে। এইখিনিতে আমি ৰাজ্যখনত বান-গৰাখহনীয়াকে ধৰি বিভিন্ন দুৰ্যোগৰ সময়ত নিঃস্বাৰ্থভাৱে উদ্ধাৰ অভিযানত জড়িত হৈ জনসেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা এন.ডি.আৰ.এফ. আৰু এছ.ডি.আৰ.এফৰ জোৱান সকলৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছো।

শ্ৰদ্ধেয় ৰাইজ,

সংবাদ মাধ্যম হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। সেয়েহে সাংবাদিকৰ কল্যাণৰ প্ৰতি আমাৰ চৰকাৰ দায়বদ্ধ। ইতিমধ্যে উগ্ৰপন্থী আৰু সমাজ বিৰোধী শক্তিৰ হাতত নিহত ৩১ গৰাকী সাংবাদিকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

অৱসৰপ্ৰাপ্ত ২০ গৰাকী সাংবাদিকলৈ "সাংবাদিকৰ বাবে পেঞ্চন আচঁনি"ৰ অধীনত পেঞ্চন, ২০ গৰাকী সাংবাদিকলৈ মিডিয়া ফেল'শ্বিপ আৰু ১৫৩ গৰাকী সাংবাদিকক এক্ৰিডিটেশ্যন আৰু স্বীকৃতিপত্ৰ প্ৰদান কৰা হৈছে।

ৰাজ্যখনৰ পৰ্যটন খণ্ডৰ বিকাশৰ লক্ষ্যৰে আমাৰ চৰকাৰে অম্বুবাচী মেলাক আন্তঃৰ্জাতিক পৰ্যায়লৈ লৈ যাবলৈ প্ৰয়াস কৰিছে আৰু চলিত বৰ্ষত ২০ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে এই মেলা দৰ্শন কৰিছে। সেইদৰে মাজুলীৰ ৰাস মহোৎসৱৰ প্ৰচাৰৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু কোচবিহাৰত মধুপুৰ মহোৎসৱ আয়োজনৰ ব্যৱস্থা হাতত লোৱা হৈছে। আনহাতে 'প্ৰসাদ' আৰু 'স্বদেশ দৰ্শন' আঁচনিৰ অধীনত আমাৰ চৰকাৰে ধৰ্মীয়, ঐতিহাসিক আৰু বন্যপ্ৰাণী চাৰ্কিটৰ কাৰ্যসূচী হাতত লৈছে।

ৰাজ্যখনৰ পৰ্যটনৰ সম্ভাৱনীয়তা বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ বাবে বিগত বৰ্ষৰ এপ্ৰিল মাহত 'নমামি ব্ৰহ্মপুত্ৰ' উৎসৱ আয়োজন কৰাৰ দৰে নৱেম্বৰ মাহত আমাৰ চৰকাৰে 'নমামি বৰাক' উৎসৱ সফলতাৰে আয়োজন কৰিছে।

মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ উক্তি "খেল'গে ত' খিল'গে" বাণীৰে অনুপ্ৰাণিত হৈ আমাৰ চৰকাৰে ৰাজ্যখনক ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰ ফলশ্ৰুতিত ইতিমধ্যে ৰাজ্যত কেইবাখনো আন্তৰ্জাতিক পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

ইয়াৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতা, ১৭ বছৰ অনুৰ্দ্ধ ফিফা বিশ্ব কাপ ফুটবল প্ৰতিযোগিতা, আইবা যুৱ মহিলা বক্সিং প্ৰতিযোগিতা, আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতা আৰু ৰাষ্ট্ৰীয় চিনিয়ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপ আদি উল্লেখযোগ্য। এই প্ৰতিযোগিতা সমূহে গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে লোৱা লক্ষ্য বাস্তৱায়িত হোৱাত বিশেষভাৱে সহায় কৰিব।

আমাৰ চৰকাৰে গাঁও অঞ্চলৰ ক্ৰীড়া আন্তঃগাঁথনি সৰলীকৰণ কৰাৰ উদ্দেশ্যৰে 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত ৫০০ খন খেলপথাৰ উন্নীতকৰণৰ কাম হাতত লৈছে। সেইদৰে 'উত্তৰণ আঁচনি'ৰ অধীনত ৩২ খন ক্ৰীড়া আন্তঃগাঁথনি ৰাজ্যৰ বিভিন্ন ঠাইত নিৰ্মাণ কৰা হ'ব। তদুপৰি, ৰাজ্যত প্ৰথমবাৰৰ বাবে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ পৰ্যায়ত ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব।

সাংস্কৃতিক ক্ষেত্ৰখনৰ উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল আয়োজন কৰিছে। সেইদৰে ৰাজ্যিক চলচ্চিত্ৰ বঁটা পুনৰ প্ৰৱৰ্তন কৰা হৈছে। থলুৱা কথাছবিৰ প্ৰদৰ্শনত সহায়ক হোৱাকৈ ৰাজ্যত মিনি চিনেমা হল নিৰ্মাণৰ উপৰি পুৰণি চিনেমা হল পুনৰ মুকলি কৰাৰ বাবে আমাৰ চৰকাৰে বিশেষ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে।

আমাৰ চৰকাৰে শীঘ্ৰে ৰাজ্যৰ চলচ্চিত্ৰ উদ্যোগৰ বাবে এক নীতি প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰিছে।

চাহ জনজাতিৰ লোকসকলৰ আৰ্থ-সামাজিক উন্নয়ন আৰু কল্যাণৰ ওপৰত আমাৰ চৰকাৰে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বিমুদ্ৰাকৰণৰ পিছত বেংক একাউন্ট যোগে মজুৰি গ্ৰহণ কৰা ৭ লাখৰো অধিক চাহ বাগিচা কৰ্মীক 'চাহ বাগিচা ধন পুৰস্কাৰ মেলা'ৰ জৰিয়তে বেংক

একাউন্টত ২৫০০ টকাকৈ প্ৰদান কৰা হৈছে। চাহ জনগোষ্ঠী ৰাইজৰ চিকিৎসা সেৱাৰ বাবে ৮০ খন মোবাইল মেডিকেল ইউনিটৰ সেৱা আৰম্ভ কৰাৰ উপৰি চাহ বাগিচাসমূহত 'প্লেণ্টেশ্যন লেবাৰ এক্ট' কাৰ্যকৰীকৰণ, চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ পৰিপুষ্টিৰ বাবে গৰ্ভৱতী মহিলাক ১২ হাজাৰ টকাকৈ এককালীন সাহায্য, ১০০ খন চাহ বাগিচাত একোখনকৈ হাইস্কুল নিৰ্মাণ কৰা, ২০ হাজাৰ লাইন চৰ্দাৰক স্মাৰ্ট ফোন প্ৰদান, চাহ বাগিচাৰ পথসমূহ পেভাৰচ্ ব্লকৰে নিৰ্মাণৰ দৰে পদক্ষেপো আমাৰ চৰকাৰে গ্ৰহণ কৰিছে। ইয়াৰ উপৰি ৰাজ্যখনৰ সংস্কৃতি আৰু অৰ্থনীতিলৈ চাহ জনগোষ্ঠীটোৱে আগবঢ়োৱা অনৱদ্য অৱদানৰ স্বীকৃতি স্বৰূপে আমাৰ চৰকাৰে মহান শ্ৰমিক নেতা সন্তোষ কুমাৰ তপ্ন'ৰ জন্ম দিনটো বিগত বৰ্ষৰ পৰা 'শ্ৰমিক কল্যাণ দিৱস' হিচাপে উদযাপন কৰিছে।

ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক বিকাশৰ বাবে আমাৰ চৰকাৰে বিগত বৰ্ষত ১ লাখ ২৩ হাজাৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক প্ৰি-মেট্ৰিক আৰু প'ষ্ট মেট্ৰিক স্ক'লাৰশ্বিপ প্ৰদান কৰিছে।

ৰাজ্যখনৰ সৰ্বাঙ্গীন বিকাশৰ লক্ষ্যৰে আমাৰ চৰকাৰে পাৰ্বত্য জিলা তিনিখনৰ উপৰি বিটিএডি তথা বৰাক উপত্যকাৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ডিফুত আৰু কোকৰাঝাৰত চিকিৎসা মহাবিদ্যালয়, ডিমা হাচাওৰ ওমৰাঙচুত অসামৰিক সেৱা প্ৰশিক্ষণ একাডেমি, ৰূপসী বিমানকোঠ মুকলি আদি এই পদক্ষেপসমূহৰ ভিতৰত অন্যতম। আনহাতে বৰাক উপত্যকাত মিনি সচিবালয় নিৰ্মাণৰ বাবে আমাৰ চৰকাৰে ইতিমধ্যে নীতিগত সিদ্ধান্ত গ্ৰহণ কৰি প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছে। ইয়াৰ উপৰি কৰিমগঞ্জত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ আৰু শিলচৰত স্বামী বিবেকানন্দ আন্তঃৰাষ্ট্ৰীয় গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ সিদ্ধান্ত আমাৰ চৰকাৰে গ্ৰহণ কৰিছে।

বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বাবে ৰাজ্যখনৰ স্বায়ত্ত শাসিত পৰিষদকে ধৰি খিলঞ্জীয়া জনগোষ্ঠীৰ উন্নয়ন পৰিষদসমূহলৈও পুঁজি আবণ্টন দিয়া হৈছে।

ৰাজ্যখনৰ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰ আৰ্থ-সামাজিক সৱলীকৰণৰ বাবে সংখ্যালঘু অধ্যুষিত ২০ খন জিলাত ২১ খন মডেল আৱাসিক বিদ্যালয় নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে।

সেইদৰে ৰাজ্যৰ ২ লাখ ৫০ হাজাৰতকৈ অধিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক বিগত বৰ্ষত প্ৰি-মেট্ৰিক আৰু প'ষ্ট মেট্ৰিক স্ক'লাৰশ্বিপ প্ৰদান কৰা হৈছে তথা সংখ্যালঘু এলেকাত ৯ খন কন্যা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কথা আমাৰ চৰকাৰে ঘোষণা কৰিছে।

আমাৰ চৰকাৰে চহৰসমূহৰ উন্নয়ন আৰু বিকাশৰ উদ্দেশ্যে 'অমৰুত' আঁচনিৰ জৰিয়তে গুৱাহাটী, নগাঁও, ডিব্ৰুগড় আৰু শিলচৰ চহৰত ১৬ খন আঁচনি ৰূপায়ন কৰিছে। চহৰ অঞ্চলত "স্বচ্ছ ভাৰত অভিযান"ৰ অধীনত ৬৮ হাজাৰ পৰিয়ালৰ বাবে বিনামূলীয়াকৈ শৌচাগাৰ নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰি আমাৰ চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৯৭ খন চহৰৰ ভিতৰত ৬৩ খন চহৰ 'মুকলিত মলত্যাগ মুক্ত চহৰ' হিচাপে ঘোষণা কৰিছে। গুৱাহাটী মহানগৰীৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে আমাৰ চৰকাৰে কেইবালানিও পদক্ষেপ গ্ৰহণ কৰিছে।

আজিৰ এই পৱিত্ৰ মুহূৰ্তত ৰাজ্যবাসীক আমি জনাব বিচাৰো যে আমাৰ চৰকাৰে চলিত বৰ্ষৰ ২ অক্টোবৰৰ পৰা বৰ্ষজোৰা কাৰ্যসূচীৰে জাতিৰ পিতা মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম-জয়ন্তী উদযাপনৰ প্ৰস্তুতি চলাইছে।

**শ্ৰদ্ধেয় ৰাইজ,**

ৰাজ্যখনত বিগত সময়ছোৱাত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কবলত পৰি বহু লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। আমাৰ চৰকাৰে বিজ্ঞান মানসিকতাৰ

প্ৰসাৰ ঘটাই সমাজৰ পৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আঁতৰ কৰাৰ বাবে 'সংস্কাৰ-মানুহে মানুহৰ বাবে' নামৰ এখন আঁচনি ৰাজ্যখনত ৰূপায়ন কৰিছে।

আমি এই কথা উল্লেখ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো যে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ বহু ব্যক্তিয়ে আৰ্তজনৰ সেৱাৰ বাবে দিনে-নিশাই মানৱ দৰদী কাম-কাজত ব্ৰতী হৈ আছে। বহুজনে দেশ আৰু জাতিৰ স্বাৰ্থত প্ৰাণ আহুতি দিছে। এই শুভ মুহূৰ্তত আজিৰ পৰা কেইপযেকমানৰ আগতে মাজুলীৰ পৰা যোৰহাটলৈ ফেৰীৰে যাত্ৰা কৰাৰ সময়ত ব্ৰহ্মপুত্ৰৰ বুকুত ডুবিবলৈ ধৰা কেইবাগৰাকী যাত্ৰীক নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ৰক্ষা কৰা জলপৰী ফেৰীৰ নাৱৰীয়া সকলৰ অদম্য সাহসৰ আমি শলাগ লৈছো। এনে ধৰণৰ কাম-কাজে ৰাজ্যবাসীক 'মানুহে মানুহৰ বাবে' ধ্যান-ধাৰণাৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিব।

আমাৰ চৰকাৰে ৰাজ্যখনৰ সকলো জনসাধাৰণৰ সম-উন্নয়নৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে মত-বিনিময় কৰি আমি তেখেতসকলৰ মতামত জানিবলৈ প্ৰয়াস কৰিছো যাতে ৰাজ্যৰ উন্নয়নমুখী যাত্ৰাৰ তেখেতসকল সক্ৰিয় সমভাগী হ'ব পাৰে।

বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰে গঢ় লৈ উঠিছে বৃহত্তৰ অসমীয়া জাতি। বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ এই জাতি-জনগোষ্ঠীসমূহে অসমীয়া জাতিটোক প্ৰদান কৰিছে সুকীয়া পৰিচয়। আমাৰ চৰকাৰে জাতিটোৰ সমৃদ্ধিশালী কৃষ্টি তথা স্বকীয়তা সংৰক্ষণ কৰাৰ উদ্দেশ্যে শদিয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামেৰে এখন সমন্বয় ক্ষেত্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সমন্বয় ক্ষেত্ৰত সকলো জাতি-জনগোষ্ঠীৰ কৃষ্টি, সংস্কৃতি, ভাষা, সাহিত্য, লোকাচাৰ আদি প্ৰতিফলিত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

আমি ৰাজ্যবাসীক পুনৰবাৰ জনাব বিচাৰিছো যে অসমৰ জনসাধাৰণৰ স্বাভিমান আৰু স্বাৰ্থ সুৰক্ষাৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অনাগত দিনসমূহত আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰত এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে সৰ্বতোপ্ৰকাৰৰ প্ৰচেষ্টা চলাই যাব।

আমি আশাবাদী যে গণতন্ত্ৰৰ চাৰিটা স্তম্ভ ক্ৰমে বিধায়িনী, ন্যায়পালিকা, কাৰ্যপালিকা আৰু সংবাদ মাধ্যমৰ যৌথ সহযোগিতাৰ লগতে ৰাজ্যখনৰ সৰ্বস্তৰৰ জনসাধাৰণৰ সক্ৰিয় সহযোগ আৰু সমৰ্থনেৰে অসমখন নতুন দিশেৰে আগুৱাই নিবলৈ সক্ষম হ'ম।

জয় আই অসম।।

জয় হিন্দ।।

ভাৰত মাতা কি জয়।।

----- X -----